# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-03-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - -

১।	প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত অহা ১৯ মাৰ্চত ৩ লাখ ৮০ হাজাৰ হিতাধিকাৰীক প্ৰথমটো কিস্তিৰ ধন হস্তান্তৰ।

২।	অভিযান্ত্ৰীক প্ৰতিষ্ঠানত কৰ্মৰত অংশকালীন প্ৰবক্তাসকলৰ স্থায়ী নিযুক্তিৰ ব্যৱস্থা কৰিবলৈ সদৌ অসম পলিটেকনিক প্ৰতিষ্ঠাপক প্ৰবক্তা সংস্থাৰ ৰাজ্য চৰকাৰক আহ্বান।

৩।	ৰাজ্যৰ প্ৰান্ত প্ৰান্তে আজিৰে পৰা পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে দৌল উৎসৱ উদযাপন।

৪।	পকছ’ আইন আৰু ধৰ্ষণৰ গোচৰত দোষী সাব্যস্ত তিনিজন লোকক ধেমাজি জিলা আৰু ছেচন ন্যায়াধীশৰ আদালতৰ সশ্ৰম কাৰাদণ্ডৰ ৰায়। **আৰু**

৫।	বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আজি উত্তৰ-পূব সীমান্ত ৰে’লৱে ক্ৰীড়া সন্থা নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি।

ooooo

ৰাজ্য চৰকাৰে অহা ১৯ মাৰ্চত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৩ লাখ ৮০ হাজাৰ হিতাধিকাৰীলৈ গৃহ নিৰ্মাণৰ বাবে প্ৰথমটো কিস্তিৰ ধন বেংকযোগে হস্তান্তৰ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি কয়, যে কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে তেওঁৰ শেহতীয়া অসম ভ্ৰমণৰ সময়ত চলিত বৰ্ষত ৰাজ্যখনত ৩ লাখ ৬০ হাজাৰ নতুন আৱাসৰ বাবে মঞ্জুৰী দিয়াৰ কথা ঘোষণা কৰিছিল। এই আঁচনিৰ বাবে পূৰ্বে নিৰ্ধাৰিত অপেক্ষাৰত হিতাধিকাৰীৰ তালিকাত ৭ লাখ ৬০ হাজাৰ লোকৰ নাম অন্তৰ্ভুক্ত হৈ আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ পৰৱৰ্তী সময়ত অহা এপ্ৰিল- মে’ মাহত আৰু ৩ লাখ ৮০ হাজাৰ হিতাধিকাৰীক এই আঁচনিৰ ধন প্ৰদানৰ ব্যৱস্থা কৰা হ’ব। ইয়াৰ ফলত ৰাজ্যখনত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৩০ লাখ হিতাধিকাৰীক ঘৰ প্ৰদানৰ লক্ষ্য প্ৰাপ্তি হ’ব। এই আঁচনিৰ অধীনত এতিয়ালৈকে ২২ লাখ হিতাধিকাৰীয়ে ঘৰ লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে এই আঁচনিৰ হিতাধিকাৰী চিনাক্ত কৰিবলৈ ৰাজ্য চৰকাৰে পুনৰবাৰ জিঅ’ টেগিং কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমতি লৈছে। সেই অনুসৰি দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে জিঅ’ টেগিঙৰ ক্ষেত্ৰত অভিনৱ পন্থা গ্ৰহণ কৰা হ’ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এইবাৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিষয়াৰ পৰিৱৰ্তে জীৱিকা সখীসকলে মহিলা আত্মসহায়ক গোটৰ সহযোগত গাঁৱে গাঁৱে গৈ জিঅ’ টেগিং কৰিব। ইয়াৰ পাছতো জিঅ’ টেগিঙৰ পৰা বঞ্চিত হৈ ৰোৱা লোকসকলৰ বাবে স্ব-জিঅ’ টেগিঙৰ ব্যৱস্থা কৰা হ’ব বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে।

## বাইট (চি এম)

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ কাইলৈ তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হ'ব। কাইলৈ নিশাটো দেৰগাঁৱত কটোৱাৰ পাছত পৰহিলৈ পুৱাৰ ভাগত তেওঁ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। ইয়াৰ পাছত গৃহমন্ত্ৰীগৰাকী যোৰহাট হৈ আইজললৈ যাত্ৰা কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'ব। উল্লেখযোগ্য যে যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছ বাহিনীৰ মাজত সম্পাদিত চুক্তি অনুসৰি আইজল নগৰৰ সোঁমাজত থকা আছাম ৰাইফলছৰ ঘাটি আইজলৰ পৰা জোখ'ছাঙলৈ স্থানান্তৰিত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। এই চুক্তি অনুসৰি আছাম ৰাইফলছৰ আইজলৰ খাটলাত থকা মিজোৰাম খণ্ডৰ আঞ্চলিক চৌহদ আৰু টুইখোৰটলাঙৰ ৰাজভৱনৰ সমীপত থকা উপ-আৰক্ষী মহাপৰিদৰ্শকৰ চৰকাৰী বাসভৱন স্থানান্তৰিত কৰা নহয়। জোখ'ছাঙত বাহিনীটোৰ মূল শিবিৰৰ নিৰ্মাণৰ কাম গৃহমন্ত্ৰী অমিত শ্বাহে যোৱা বছৰৰ এপ্ৰিল মাহত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছিল।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী আইজলৰ পৰা গুৱাহাটীলৈ উভতি আহি কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত নিশাটো অতিবাহিত কৰিব। ১৬ মাৰ্চত গৃহমন্ত্ৰীগৰাকীয়ে কোকৰাঝাৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে শ্ৰীশ্বাহে গুৱাহাটীৰ হোটেল ৰেডিশ্বন ব্লুত ভাৰতীয় ন্যায় সংহিতাৰ ৰূপায়ণ সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০

সদৌ অসম পলিটেকনিক প্ৰতিষ্ঠাপক প্ৰবক্তা সংস্থাই ৰাজ্যখনত বিভিন্ন অভিযান্ত্ৰীক প্ৰতিষ্ঠানত কৰ্মৰত অংশকালীন প্ৰবক্তসকলৰ স্থায়ী নিযুক্তিৰ ব্যৱস্থা কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনাইছে। আজি গুৱাহাটী মহানগৰীৰ চচলৰ প্ৰতিবাদস্থলীত আয়োজিত এখন সংবাদমেলত সংস্থাৰ উপদেষ্টা ড০ নেত্ৰমণি বৰুৱাই কয়, যে ২০১৭ চনত ৰাজ্যখনত নতুনকৈ স্থাপিত ১১ খন পলিটেকনিকত মেধাৰ ভিত্তিত অংশকালীন প্ৰবক্তাসকলক নিযুক্তি দিয়া হৈছিল। কিন্তু শেহতীয়াভাৱে অসম চৰকাৰে ৬৪ গৰাকী অংশকালীন প্ৰবক্তাক চাকৰিৰ পৰা অব্যাহতি দিয়াৰ সিদ্ধান্তক ড০ বৰুৱাই অবিবেচকী বুলি অভিহিত কৰে। তেওঁ কয়, যে অসম মন্ত্ৰীসভাই এইসকল প্ৰবক্তাক থ্ৰী এফ অধিনিয়মৰ অধীনত নিযুক্তি দিয়াৰ সিদ্ধান্ত লৈছিল যদিও এই সিদ্ধান্ত ৰাজ্য চৰকাৰে ৰূপায়ণ নকৰা বুলি তেওঁ অভিযোগ কৰে।

০০০০০

ৰাজ্যৰ প্ৰান্ত প্ৰান্তে আজিৰে পৰা পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে দৌল উৎসৱ উদযাপন কৰা হৈছে। পৰস্পৰক আবিৰৰ ৰং সানি ফাকুৱা উদযাপন কৰিবলৈও সকলো সাজু হৈছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে দৌল উৎসৱক কেন্দ্ৰ কৰি উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। বৰপেটা সত্ৰত আজি সন্ধিয়া গন্ধযাত্ৰাৰে দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হৈছে। বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে। ওড়িশাৰ পৰা হোলী গীতৰ দল, মণিপুৰী সাংস্কৃতিক দল, আদিবাসী সাংস্কৃতিক দলৰ লগতে বিভিন্ন স্থানীয় শিল্পীৰ গীত

পৰিৱেশেনেৰে সত্ৰ নগৰীখন প্ৰাণ চঞ্চল হৈ উঠিছে। আজি বৰপেটাৰ ৰাজ পথত হোলী গীতৰ মুকলি প্ৰতিযোগিতা অনুষ্ঠিত হয়। **(গীত)**

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰিবলৈ লোৱা হৈছে। আজি নিশা মেযদাহ পৰ্বৰে এই উৎসৱৰ আৰম্ভণি হ'ব। ১৭ মাৰ্চত উৎসৱৰ সামৰণি পৰিব।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত আজিৰে পৰা ফল্গুৎসৱৰ আয়োজন কৰা হৈছে। মুখাশিল্পৰ বাবে বিশ্বখ্যাত চামগুৰি সত্ৰত চাৰিদিনীয়াকৈ দৌল উৎসৱৰ আয়োজন কৰা হৈছে। উৎসৱৰ অংশ হিচাপে নাম কীৰ্তন, ফাকুৱাৰ গীত-মাত আৰু ভাওনা পৰিৱেশন কৰা হ'ব।

কোচবিহাৰৰ ইতিহাস প্ৰসিদ্ধ মধুপুৰ সত্ৰত আজিৰে পৰা তিনিদিনীয়াকৈ দৌল উৎসৱ পালন কৰা হৈছে। আজি গন্ধযাত্ৰাৰ লগতে সত্ৰৰ চৌহদত সাজি উলিওৱা ভেলাঘৰত অগ্নিসংযোগ কৰি ৰাইজৰ মংগল কামনা কৰা হ'ব। কাইলৈ গোসাঁইৰ সন্মুখত নাম প্ৰসংগ আৰু পৰিহলৈ গোসাঁইক লৈ শোভাযাত্ৰা কৰা হ'ব।

গোৱালপাৰা জিলাতো দৌল উৎসৱ উপলক্ষে জনসাধাৰণৰ মাজত আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ৰংজুলিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত আজিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে এই উৎসৱ অনুষ্ঠিত হৈছে। গোৱালপাৰাৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ আৰু পশ্চিম গোৱালপাৰাৰ কেৰলীয়া হাটী সত্ৰত আজি অধিবাস আৰু সান্ধ্য কীৰ্তনেৰে ৫ দিনীয়া দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হৈছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰিতো ফাকুৱাৰ বাবে প্ৰস্তুতি চলিছে। বজাৰসমূহ বিভিন্ন ৰং আৰু ফিচকাৰীৰে ভৰি পৰিছে। বাক্সা জিলাৰ জেংৰেংপাৰাত আজিৰে পৰা ৫ দিনীয়াকৈ দৌল উৎসৱ উদযাপন কৰা হ'ব।

গুৱাহাটী মহানগৰীতো দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। মহানগৰীৰ বজাৰসমূহ ৰং-বিৰঙী ফাকুগুৰী, ৰং আৰু ফাকুৱাৰ বিভিন্ন সামগ্ৰীৰে ভৰি পৰিছে। উল্লেখযোগ্য যে কামৰূপ মহানগৰ জিলাৰ লগতে বিভিন্ন জিলা প্ৰশাসনে পৰহিলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে।

ooooo

ধেমাজি জিলা আৰু ছেচন ন্যায়াধীশৰ আদালতে আজি ধৰ্ষণৰ গোচৰত দোষী সাব্যস্ত এজন লোকক ৩০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ লগতে ৫০ হাজাৰ টকাৰ জৰিমনা বিহে। ন্যায়াধীশ কৌশিক হাজৰিকাৰ বিচাৰপীঠে আজি ধেমাজি বৰবাম দিহিঙীয়া গাঁৱৰ নিৰেন চুতীয়া নামৰ লোকজনক ৩০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ লগতে ৫০ হাজাৰ টকাৰ জৰিমনা বিহে। জৰিমনা অনাদায়ে তেওঁ অতিৰিক্ত ৩ বছৰ কাৰাবাস খাটিব লাগিব বুলিও ৰায়টোত কোৱা হৈছে। ২০২১ চনত এগৰাকী ১২ বছৰীয়া নাবালিকাক ধৰ্ষণৰ গোচৰত নিৰেন চুতীয়াৰ বিৰুদ্ধে গোগামুখ থানাত গোচৰ ৰুজু কৰা হৈছিল। আদালতে বাদী আৰু বিবাদী পক্ষৰ যুক্তি-তৰ্ক শুনাৰ পাছত অভিযুক্ত চুতীয়াক দোষী সাব্যস্ত কৰে আৰু আজি তেওঁৰ বিৰুদ্ধে শাস্তি ঘোষণা কৰে। আনহাতে ২০২২ চনত একেখন গাঁৱতে সংঘটিত আন এটা ধৰ্ষণৰ গোচৰ সম্পৰ্কত আজি একেখন আদালতেই দিপাংকৰ গোহাঁই নামৰ আন এজন অভিযুক্তক ২০ বছৰ সশ্ৰম কাৰাদণ্ডৰ ৰায়দানৰ লগতে ৩০ হাজাৰ টকাৰ জৰিমনা বিহে। জৰিমনা আদায় নিদিলে ২ বছৰৰ অতিৰিক্ত কাৰাদণ্ড দিয়া হ'ব। ২০২২ চনত এগৰাকী মহিলাক ধৰ্ষণ কৰাৰ অভিযোগত দিপাংকৰ গোহাঁইৰ বিৰুদ্ধে ধেমাজি আৰক্ষী থানাত গোচৰ ৰুজু কৰা হৈছিল। ন্যায়াধীশ কৌশিক হাজৰিকাৰ আদালতে আজি ২০২১ চনত জোনাই আৰক্ষী থানাত ৰুজু হোৱা আন এগৰাকী নাবালিকা ধৰ্ষণৰ

গোচৰত অভিযুক্ত চিলাপথাৰৰ ১ নম্বৰ দেৱেন্দ্ৰ নগৰৰ আনন্দ দাসক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ উপৰি ২০ হাজাৰ টকাৰ জৰিমনা বিহে। আদালতে এই দুয়োগৰাকী অভিযুক্তক পকছ' আইনৰ অধীনত দোষী সাব্যস্ত কৰি এই গুৰুত্বপূৰ্ণ ৰায়দান কৰে বুলি চৰকাৰী পক্ষৰ অধিবক্তাৰ উদ্ধৃতি দি আমাৰ ধেমাজিৰ সংবাদদাতাই জনাইছে।

০০০০০

শিলচৰত অহা তিনি মাহৰ ভিতৰত উৰণ সেতু নিৰ্মাণৰ প্ৰাৰম্ভিক কাম আৰম্ভ হ'ব বুলি বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে প্ৰকাশ কৰিছে। আজি কাছাৰ জিলা বিজেপিৰ কাৰ্যালয়ত চলিত বছৰৰ ৰাজ্যিক বাজেট সন্দৰ্ভত আয়োজিত সংবাদমেলত মন্ত্ৰীগৰাকীয়ে এই বাজেটক ঐতিহাসিক আৰু দূৰদৰ্শী বুলি অভিহিত কৰে। বৰাক উপত্যাকাৰ উন্নয়নমূলক কামকাজৰ ওপৰত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে শ্ৰীকোনাত নিৰ্মিয়মান ক্ষুদ্ৰ সচিবালয়ৰ কাম এই বছৰৰ ছেপ্তেম্বৰৰ পৰা অক্টোবৰৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণা অনুসৰি কাছাৰত নিৰ্মাণ হ'বলগীয়া দুখন দলঙৰ ভিতৰত শিলঘাটৰ দলংখনৰ কাম আৰম্ভ হৈছে আৰু মধুৰাঘাটত আন এখন দলং নিৰ্মাণৰ কাম শীঘ্ৰেই আৰম্ভ হ'ব বুলি তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে কয়, যে ৰামকৃষ্ণ নগৰত এখন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম চলি আছে আৰু হাইলাকান্দিত আন এখন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

বিশ্ব বৃক্ক দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বৃক্ক ৰোগৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে অনুষ্ঠানৰ আয়োজন কৰা হয়। স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে বিশ্বৰ ৮ কোটি ৫০ লাখৰো অধিক লোক দীৰ্ঘ ম্যাদী বৃক্ক জনিত ৰোগত আক্ৰান্ত হ'ব বুলি আশংকা প্ৰকাশ কৰা হৈছে। ভাৰতত অন্তিম পৰ্যায়ৰ বৃক্ক ৰোগত আক্ৰান্তৰ সংখ্যা প্ৰতি বছৰে দুই লাখ ২০ হাজাৰকৈ বৃদ্ধি পাই আহিছে বুলিও সূত্ৰটোৱে প্ৰকাশ কৰে। ৰাজ্যৰ ৩৪ খন জিলাৰ ৫৪ টা চৰকাৰী স্বাস্থ্য কেন্দ্ৰত কমেও ২৫ হাজাৰ ৰোগীক বিনামূলীয়াকৈ ডায়েলাইছিছ সেৱা প্ৰদান কৰা হৈছে। বৰ্তমানলৈ ৰাজ্যৰ ৮ লাখৰো অধিক লোকক এই সেৱা প্ৰদান কৰা হৈছে। বৃক্ক ৰোগত আক্ৰান্তৰ হাৰ হ্ৰাস কৰাৰ বাবে এই ৰোগ সৃষ্টিকাৰী মধুমেহ, উচ্চ ৰক্তচাপ, হৃদৰোগ, মেদবহুলতাকে ধৰি ৰোগসমূহ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ বাবে সজাগতা কাৰ্যসূচীসমূহত গুৰুত্ব দিয়া হয়। আজি কামৰূপ জিলাৰ আমিনগাঁৱত বিশ্ব বৃক্ক দিৱস উপলক্ষে সজাগতা সভা অনুষ্ঠিত হয়। নাৰায়ানা ছুপাৰ স্পেচিয়েলিটি চিকিৎসালয়ত কেইবাগৰাকীও চিকিৎসকে বৃক্ক ৰোগ আৰু ইয়াৰ নিৰাময় সন্দৰ্ভত ভাষণ দিয়ে।

০০০০০

ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ সংগ্ৰহ আৰু দাখিল প্ৰক্ৰিয়া চলি আছে। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ ২০ টা সমষ্টিৰ মনোনয়ন পত্ৰ বিতৰণ আৰু গ্ৰহণৰ বাবে জিলা প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিছে। পৰহিলৈ বিয়লি ৩ বজালৈকে প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ সংগ্ৰহ আৰু দাখিল কৰিব পাৰিব। আজি কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ সংগ্ৰহ কৰে আৰু আগিয়া পৰিষদীয় সমষ্টিৰ এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

০০০০০

যোৰহাট সদৰথানাৰ উপ-পৰিদৰ্শক ইন্দ্ৰেশ্বৰ সন্দিকৈ আৰু কনিষ্টবল দীনেশ শীলক উৎকোচ লোৱাৰ অভিযোগত চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে। উল্লেখযোগ্য যে ৮ জন লোকক থানাৰ পৰা মুকলি কৰিবৰ

বাবে এই দুয়োগৰাকী আৰক্ষীৰ লোকে ৮ হাজাৰ টকা উৎকোচ বিচাৰি হাতেলোটে ধৰা পৰা পাছত তেওঁলোকক নিলম্বন কৰা হয়।

০০০০০

গুৱাহাটী বাৰ কাউন্সিলৰ সহযোগত উকিল সন্থাই আজি মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত চৌহদৰ প্ৰেক্ষাগৃহত **নতুন ফৌজদাৰী আইন - ইয়াৰ লক্ষ্য আৰু প্ৰত্যাহ্বান** শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত কৰে। গুৱাহাটী উকিল সন্থাৰ সভাপতি বিৰাজ কুমাৰ চৌধুৰীৰ সভাপতিত্বত আয়োজিত আলোচনা চক্ৰখনত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়া নৱপ্ৰজন্মৰ অধিবক্তাসকলক উদ্দেশ্যি বহু গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। ন্যায়াধীশগৰাকীয়ে আইনী শিক্ষা গ্ৰহণ কৰাটো এটা নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া বুলি উল্লেখ কৰি যুৱ অধিবক্তাসকলক গভীৰভাৱে অধ্যয়নশীল হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা বিজন কুমাৰ মহাজনে নতুনকৈ কাৰ্যকৰী হোৱা তিনিখন নতুন ফৌজদাৰী আইন - ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম সন্দৰ্ভত বিশদভাৱে ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত অংশ লৈ ৰাষ্ট্ৰীয় আইন একাডেমীৰ অধ্যাপক ড০ আমোল দেৱ চবনে নতুন আইনকেইখনৰ আঁৰৰ দৰ্শন সন্দৰ্ভত আলোকপাত কৰে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত **ফাকুৱা বা দৌল উৎসৱৰ ৰং** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনত থকা আকাশবাণীৰ কেইবাগৰাকীও সংবাদদাতা আৰু কেইবাগৰাকীও শ্ৰোতাই সময়ৰ সোঁতত এই উৎসৱৰ পৰিৱৰ্তন আৰু আকৰ্ষণ সম্পৰ্কত মতামত ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আনহাতে, বাতৰি বিভাগে অহা দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত গুৱাহাটীত কৰ্মৰত সাংবাদিকসকলে পৰিৱেশন কৰা **গান্ধাৰীৰ অভিশাপ** নামৰ ভাওনাৰ বিষয়ে বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই ভাওনাখনৰ পৰিকল্পনা ঋতুপৰ্ণ দাসৰ আৰু পৰিচালনা ড০ দীপেন দাসৰ। গুৱাহাটীৰ বিভিন্ন বৈদ্যুতিন চেনেলৰ সাংবাদিকে অভিনয় কৰা এই ভাওনাখনিত ধৃতৰাষ্ট্ৰৰ চৰিত্ৰত অভিনয় কৰিছে মৃগাংক শইকীয়া, কৰ্ণ চৰিত্ৰত শোণিত কুমাৰ ভূঞা, শকুনি চৰিত্ৰত অভিজিৎ গোস্বামী আৰু কৃষ্ণৰ চৰিত্ৰত অভিনয় কৰিছে বিমল ভূষণ মহন্তই। গান্ধাৰীৰ চৰিত্ৰত অভিনয় কৰিছে এঞ্জেলা চাংমাই।

০০০০০

লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আজি উত্তৰ-পূব সীমান্ত ৰে'লৰে ক্ৰীড়া সন্থা নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। লোকপ্ৰিয় বৰদলৈ ট্ৰফীৰ আজিৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। এই ঐতিহাসিক ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেল উপভোগ কৰিবৰ বাবে জজ খেলপথাৰত অগণন ফুটবল প্ৰেমীয়ে ভিৰ কৰিছে। এইবাৰৰ বৰদলৈ ট্ৰফীৰ ফাইনেল খেল চাৰিগৰাকী মহিলা ৰেফাৰীয়ে পৰিচালনা কৰিছে।

০০০০০

সমাপ্ত